"ভাল আছি।" —হেমাংগৰ চমু উত্তৰ।

"অল্প খেয়ে নাও। তোমার খাবার আমি পাঠিয়ে দিচ্ছি।"

কথাখিনি কৈয়েই সৰোজিনী লৰালৰিকৈ আঁতৰি আহিল। হেমাংগই বুজিব পাৰিছে যে তাৰ ওচৰত মাকৰ কান্দোন ধৰি ৰাখিব নোৱাৰিব বুলিয়েই অজুহাত দেখুৱাই আঁতৰি আহিছে। কিন্তু ইমান সময়ে আনটো ককায়েক আৰু ভাই-ভনীবোৰ তাৰ ওচৰলৈ নহা বাবে সি আচৰিত হ'ল। হয়তো দেউতাকে আগতীয়াকৈ সতৰ্ক কৰি থৈছিল যাতে ঘৰলৈ সি আহিলে কোনো ধৰণৰ মাতবোল নকৰে। হেমাংগৰ আৰু বিশেষ চিন্তা কৰিবলৈ মন নগ'ল। অলপ পাছতে লগুৱা মোহনে লৈ অনা জলপান খাই শুই থাকিল।

পাছদিনা ৰাতিপুৱাই জ্যোতিময় নন্দী, প্ৰাণেশ বিশ্বাস আৰু নিৰঞ্জন সেন আহিল। জ্যোতিময় হেমাংগতকৈ এক শ্ৰেণী ওপৰৰ, নিৰঞ্জন দুই শ্ৰেণীৰ তলৰ। প্ৰাণেশৰ ঘৰ প্ৰায় তিনি মাইল দূৰত। আৰু নিৰঞ্জনৰ ঘৰ অলপ ওচৰতে প্ৰায় ডেৰ মাইলৰ দূৰত্ব। হেমাংগ তেতিয়া কোঠাতে আছিল। প্ৰাণেশহঁত অহাৰ কাৰণে হেমাংগই ভালেই পালে। কোঠাত অকলে সোমাই থাকি আমনিও লাগিছিল। প্ৰাণেশে আন্দোলনৰ খবৰ দিলে। যুগান্তৰ দলৰ সৈতে যুক্ত 'ৰেলফেয়াৰ গ্ৰুপ'ৰ কাম-কাজৰ বিষয়ে জনালে। মাজে মাজে পুলিছে যে তাক বিচাৰি থাকে সেই কথাও ক'বলৈ নাপাহৰিলে। নিৰঞ্জনৰ সৈতে হেমাংগই গীত-নাটৰ বিষয়ে আলোচনা কৰিলে। জে'লত গোৱা জ্যোতিপ্ৰসাদ আগৰৱালা, পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীতৰ কথা ক'লে। কিন্তু অসুস্থতাৰ বাবে গীত শুনাব নোৱাৰিলে। গীত গাবলৈ ধৰিলেই কাহটোৱে আমনি কৰে। বেছি সময় সিহঁতেও হেমাংগক কষ্ট দিবলৈ বেয়া পালে। দুঘণ্টামানৰ পাছত সিহঁত বিদায় লৈ গ'লগৈ।

তাৰ পাছতো প্ৰাণেশ মাজে সময়ে আহি থাকিল। প্ৰাণেশ আহিলে হেমাংগই আনন্দ পায়। কিন্তু ঘৰৰ মানুহে বিশেষকৈ ককায়েক হিৰণ্ময়ে প্ৰাণেশ অহাতো বৰ পছন্দ নকৰে। পুলিছৰ হাতত গ্ৰেপ্তাৰ হৈ অন্তৰীণ অৱস্থাত থকা প্ৰাণেশক হিৰণ্ময়ে ভাল পোৱাৰ কথাই নাই। এদিন হিৰণ্ময়ে প্ৰকাশ্যে প্ৰাণেশক কৈয়েই দিছিল। তাৰ পাছতো কেৱল হেমাংগৰ কথা ভাবিয়েই প্ৰাণেশ আহি আছিল। কাৰণ অসুস্থতাৰ বাবে হেমাংগ বাহিৰলৈ ওলাব নোৱাৰে।

হেমাংগৰ কোঠালিত এদিন আবেলি প্ৰাণেশে কথা পাতি থকাটো হিৰণ্ময়ৰ আৰু সহ্য নহ'ল। প্ৰাণেশক দেখি হিৰণ্ময় জকমকাই উঠিল—"তুমি এখানে কি করছ? আমি আগেয়ে বলেছিলাম, তুমি এখানে এছনা। এক্ষুনি বেরিয়ে যাও।"

ভদ্ৰতাৰ সীমা চেৰাই যোৱা দেখি হেমাংগই প্ৰতিবাদ কৰি ক'লে—"প্ৰাণেশ আমার অতিথি। আমার কাছে এচেছে। তাকে বের করে দেওয়ার তোমার কোনো অধিকার নেই।"

ককায়েক-ভায়েকৰ কাজিয়াৰ সাক্ষী হৈ থাকিবলৈ ভাল নাপাই প্ৰাণেশ কোঠালিৰ পৰা তৎক্ষণাৎ ওলাই আহিল। প্ৰাণেশক অপদস্থ কৰা দেখি হেমাংগ খঙত একো নাই যেন হ'ল। অসুস্থ শৰীৰেৰে হেমাংগ ঘৰৰ পৰা ওলাই আহিল। জে'লৰ পৰা অহাৰ পাছত পোন প্ৰথমবাৰৰ বাবে হেমাংগ পাৰালৈ ওলাই আহিল। গগন ঢুলীয়াৰ ঘৰৰ ফালে সি খোজ পেলালে। পাৰাৰ চিনাকি মানুহবোৰ নেদেখা প্ৰায় ডেৰ বছৰেই হ'ল। এইখিনি সময়ত সুৰমাইদি বহু পানী বৈ গ'ল। কিন্তু মানুহবোৰৰ জানো কিবা পৰিৱৰ্তন হ'ল? চাৰিওফালে কেৱল দৰিদ্ৰৰ ছাপ। এমুঠি অন্নৰ বাবেই হাড়ভঙা পৰিশ্ৰম কৰে মানুহবোৰে। তথাপি সিহঁতে জীৱনটো উপভোগ কৰিবলৈ নাপাহৰে। সুখী হোৱাৰ চেষ্টা কৰে। পূজা-পাৰ্বণত ব্যস্ত থাকে; গান-বাজনা কৰে। অদূৰৰ পৰা অহা ঢোলৰ শব্দ হেমাংগৰ কাণত পৰিল। নিশ্চয় গগন ঢুলীয়াই হ'ব। হেমাংগই খৰখোজেৰে ঢোলৰ শব্দ অনুসৰণ কৰি গৈ থাকিল।

দিনটোৰ কাম-কাজ সামৰি গগন ঢুলীয়াই ঢুলুকিত চাপৰ দিছে। ওচৰ-চুবুৰীয়াৰ দুই-চাৰিজন আহি বাহিৰতে গোট খাইছেহি। কোনোবাই ভঙা ভঙা মাতেৰে ভাটিয়ালী জুৰিছে—"আমি বন্দের প্রেমাগুণে পুৰা/ সইগ', আমি মহ'লে পুৰাস নি তৰা।"

হেমাংগ সোমাই যোৱা দেখি সিহঁত আচৰিত হ'ল। ঢুলুকি বজোৱা বন্ধ কৰি গগন ঢুলীয়া দৌৰি অহাদি আহিল। ভিতৰলৈ চাই চিঞৰি ক'লে—"ঐ কে আছে; দেখ কে এসেছে? আমার হেমাংগ বাবু এসেছে। তারাতারি তাকে কিছু আপ্যায়ন কর।"

ঘৰৰ সকলো হেমাংগক লৈ ব্যস্ত হৈ পৰিল। জমিদাৰ হৰকুমাৰৰ ল'ৰাই সিহঁতৰ ঘৰত ভৰি দিয়াটো সিহঁতে কল্পনাই কৰিব নোৱাৰে। হেমাংগই কিন্তু সিহঁতৰ সৈতে তেনেই স্বাভাৱিক ব্যৱহাৰ কৰিলে। সিহঁতক গীত গাবলৈ অনুৰোধ জনালে। হেমাংগৰ বাবে সিহঁতে প্ৰাণঢালি গীত গালে। গীত শুনি ওচৰৰ মানুহ আহি জুম পাতিলেহি। সিহঁতৰ উৎসাহ দেখি হেমাংগৰ মনটো ভৰি পৰিল। গীত শুনি হেমাংগই সময়ৰ কথাই পাহৰিলে। লগুৱাই যেতিয়া বিচাৰি আহি গগন ঢুলীয়াৰ ঘৰত তাক আৱিষ্কাৰ কৰিলে তেতিয়াহে ঘৰৰ কথা মনত পৰিল।

হেমাংগই ভাবিলে সেইখন জানো ঘৰ; য'ত প্ৰাণ নাই; য'ত লগুৱাৰ বাহিৰে ঘৰৰ আন সদস্যই ভালদৰে এষাৰ কথা নাপাতে। ইচ্ছা থাকিলেও মাক তাৰ ওচৰ চাপিব নোৱাৰে। দেউতাকৰ সৈতে তাৰ দেখা-সাক্ষাৎ নহয়েই। জে'লতকৈও ঘৰৰ পৰিৱেশ হেমাংগৰ বৰ অসহ্যকৰ হৈ পৰিল।

হেমাংগৰ মনৰ কথা বুজিব পাৰিয়েই সৰু ভায়েক হিমেন্দুৱে স্কুলৰ লাইব্ৰেৰিৰ পৰা জেমছ জয়ছৰ 'ইউলিছিছ' কিতাপখন আনি পঢ়িবলৈ দিলে। এদিন আকৌ মাকে দিয়া সোণৰ কবচটো মুছলমান পেয়াদাৰৰ ওচৰত বিক্ৰী কৰি কিতাপ আনিবলগীয়া হৈছিল।

আন এদিন মনটো অলপ পাতল কৰিবলৈকে হিমেন্দুৰ সৈতে হেমাংগই কথা পতাৰ কথা ভাবি তাক মাতি আনিলে। ভয়ে ভয়ে হেমাংগৰ কোঠালিলৈ হিমেন্দু সোমাই আহিল। সেই সময়ত দেউতাক ঘৰতে আছিল। গগন ঢুলীয়াৰ ঘৰলৈ হেমাংগ যোৱা বুলি শুনি দেউতাকৰ এনেই খং উঠি আছিল। এতিয়া আকৌ তাৰ কোঠালৈ হিমেন্দু অহা বুলি জানি দেউতাক জকি উঠিল—"তার সংগে কেন কথা বলছ? আমিতো তোমাকে মানা করছিলাম। এই কুত্তার বাচ্ছার সংগে কথা বলবেনা।"

"এই গালিটো তুই কাকে দিলি?"—হেমাংগই মুখতে ধৰিলে।

"চাল্লা, তোকে আজকে মেরেই ফেলবো।"—দেউতাকে উত্তেজিত হৈ হেমাংগক মাৰিবলৈ বুলি ভৰিৰ খৰম হাতত তুলি খেদি গ'ল। হেমাংগয়ো হিতাহিত জ্ঞান হেৰুৱাই আত্মৰক্ষাৰ বাবে এপাট খৰম হাতত তুলি ল'লে। ভয়তে হিমেন্দুৱে চিঞৰিবলৈ ধৰিলে। হুলস্থূল শুনি মাজু ভায়েক কালু দৌৰি আহিল। সি হেমাংগক ককায়েক সুকুমাৰৰ কোঠালৈ টানি লৈ গ'ল।

দেউতাক কিন্তু শান্ত নহ'ল। কঁকালত কোব খোৱা সাপৰ দৰে ফোঁচফোঁচাই উঠিল। জমিদাৰ হৰকুমাৰক আজিলৈকে কোনোৱে প্ৰতিবাদ কৰিবলৈ সাহস কৰা নাই। তেনে স্থলত নিজৰ ল'ৰাই ফেপেৰি পতা দেখি খং-ক্ষোভত ফাটি পৰিল। হেমাংগৰ কোঠাৰ কিতাপ-পত্ৰ, কাপোৰ-কানি সকলো বাহিৰলৈ দলিয়াই দি জুই লগাই দিলে।

তীব্ৰ খং আৰু প্ৰচণ্ড ঘৃণাৰে জুইৰ লেলিহান শিখালৈ হেমাংগই বহু সময় চাই থাকিল। তাৰ অতি প্ৰিয় গ্ৰন্থবোৰ, গানৰ বহীবোৰ সকলো জুইত জাহ গ'ল। একোৱেই সি বচাব নোৱাৰিলে। হেমাংগৰ মনলৈ অলেখ ভাব আহিল। এতিয়া সি কি কৰিব? এইখন ঘৰত জানো থাকিব পাৰিব? নাই, যিখন ঘৰত তাৰ কোনো মৰ্যাদা নাই, তাৰ ইচ্ছা-অনিচ্ছাৰ কোনো গুৰুত্ব নাই সেইখন ঘৰত আৰু কেতিয়াও নাথাকে। জ্বলি থকা জুইখিনি শেষ হোৱাৰ পূৰ্বেই সি চৌহদৰ পৰা ওলাই আহিল।

(আগলৈ)

ঠিকনা ঃ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়, তেজপুৰ-৭৮৪০০১, ফোন ঃ ৮৬৩৮৫৭২৭৭৯